অধ্যায় ১৩ঃ ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ পুনৰ গঠন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ভাৰতৰ ৰাজ্যসমূহৰ পুনৰ গঠন
১৩.৪ নতুন ৰাজ্য গঠন, চাৰিসীমা সালসলনি আৰু ইয়াৰ পৃষ্ঠভূমি
১৩.৫ ৰাজ্য পুনৰ গঠন আয়োগ
১৩.৬ ৰাজ্য পুনৰ গঠন আইন ১৯৫৬
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্রগতিৰ খতিয়ানৰ
১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ ৰাজ্যসমূহৰ পুনৰ গঠনৰ সন্দৰ্ভে অৱগত হ'ব
- ভাৰত যুক্তৰাষ্ট্ৰৰ ৰাজ্যসমূহৰ পুনৰ গঠন প্ৰক্ৰিয়াটো সম্পৰ্কে আৰু পূৰ্বৰ ৰাজ্যসমূহৰ সীমাৰ সালসলনি সম্পৰ্কে জানিবলৈ পাৰিব
- ৰাজ্য পুনৰ গঠন আয়োগ আৰু ৰাজ্য পুনৰ গঠন আইন ১৯৫৬ সম্পৰ্কে আলোচনা লাভ কৰিব।

১৩.২ পৰিচয়

ভাৰতবৰ্ষৰ সংবিধানৰ অনুচ্ছেদ নং ১(১) [Article 1(1)] এ ভাৰতক এখন যুক্তৰাষ্ট্ৰ (Union of States) ৰাজ্যসমূহৰ সংঘ হিচাপে ঘোষণা কৰিছে। ভাৰতৰ সংবিধানৰ অনুচ্ছেদ নং ১(৩) ৰ অধীনত বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু অন্যান্য কেতবোৰ অঞ্চলৰ সন্মিলনত ভাৰত বৰ্ষত গঠিত হৈছে। লক্ষ্য কৰিবলগীয়া গুৰুত্বপূৰ্ণ কথাটো হৈছে— প্ৰথমতে, ভাৰত মহাসংঘ ইয়াৰ অংশীদাৰীৰ ৰাজ্যসমূহৰ চুক্তিবদ্ধ পৰিণাম নহয়। অৰ্থাৎ অংশীদাৰী মাজত কোনোধৰণৰ চুক্তিৰ পৰিণামস্বৰূপে ভাৰত মহাসংঘ গঠিত হোৱা নাই। দ্বিতীয়তে অংশীদাৰী ৰাজ্যসমূহৰ ভাৰত যুক্তৰাষ্ট্ৰৰ পৰা ওলাই যোৱাৰ স্বাধীনতা নাই। ভাৰতৰ বিভিন্ন প্ৰান্তত বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহে স্বকীয় ভাষা আৰু স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যৰে বসবাস কৰি আহিছে।

সেই অনুসৰি প্ৰাক্-স্বাধীনতাকালত কিছুমানে নিজৰ জনগোষ্ঠীয় আশা-আকাংক্ষা পূৰোৱা আৰু প্ৰশাসনীয় সুবিধাৰ কাৰণে পূৰ্বৰ ৰাজ্যৰ পৰা আঁতৰি নতুন ৰাজ্য গঠনৰ আৰ্হি লৈছিল। সেইমতে নতুন ৰাজ্য গঠিত হৈছিল। তথাপি জনসাধাৰণৰ মাজত একক ৰাষ্ট্ৰীয় পৰিচয়েৰে অখণ্ড দেশ হিচাপে ভাৰতক দাঙি ধৰা হৈছে।

১৩.৩ ভাৰতৰ ৰাজ্যসমূহৰ পুনৰ গঠন

সংবিধানৰ ২ আৰু ৩ নং অনুচ্ছেদ (Articles 2 and 3) দুটাই ভাৰতৰ সংসদক ৰাজ্য পুনৰ্গঠন আৰু কেন্দ্ৰীয় শাসিত অঞ্চল প্ৰতিষ্ঠাৰ বাবে ক্ষমতা প্ৰদান কৰিছে। ভাৰতৰ সংবিধানৰ ২নং দফাৰ অধীনত সংসদে চৰ্তাৱলী উপযুক্ত বুলি ভাবিলে নতুন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল গঠনৰ প্ৰস্তাৱ দাবী গ্ৰহণ কৰিব পাৰে। সংবিধানৰ ৩ নং অনুচ্ছেদ অনুসৰি সংসদে ৰাজ্য পুনৰ গঠন আইনৰ জৰিয়তে ভাৰত যুক্তৰাষ্ট্ৰ গঠন কৰিব পাৰে। ৩ নং অনুচ্ছেদৰ খচৰাৰ কাৰণ আছিল ৰাজতন্ত্ৰৰ দ্বাৰা পৰিচালিত ৰাজ্যবোৰ সম্পূৰ্ণৰূপে ভাৰতৰ লগত একত্ৰ হোৱা নাছিল। ইয়াৰ উপৰি ভাষাৰ ভিত্তিত ৰাজ্য গঠনতো বতাহ বলিছিল। সংবিধান সভাই দেখিছিল যে এনেধৰণৰ পুনৰ গঠনৰ দাবী বেছি দিনলৈ পেলাই স্থগিত কৰি থব পৰা নাযাব।

তদুপৰি সংবিধানত সন্নিৱিষ্ট ৩নং দফাই যিকোনো সময়তে ৰাজ্য পুনৰগঠনৰ বাবে এটা সহজ আৰু সৰল পদ্ধতিৰ সুবিধা আগবঢ়াইছে। সংবিধানৰ ৩নং দফাই আইন গৃহীত কৰি নতুন ৰাজ্য গঠনৰ জৰিয়তে পূৰ্বৰ ৰাজ্যসমূহৰ পুনৰ্বিন্যাস অথবা আন কোনো অঞ্চল ৰাজ্য একোখনৰ লগত চামিল, ক্ষমতা প্ৰদান কৰিছে। ইয়াৰ বাহিৰে সংসদে ৰাজ্যসমূহৰ সীমা সাল-সলনি কৰা, কোনো এটা অঞ্চল আঁতৰাই নিয়া, মাটিকালি হ্ৰাস-বৃদ্ধি কৰা, ৰাজ্যসমূহৰ নাম সলনি কৰা ক্ষমতাও প্ৰদান কৰিছে। এইক্ষেত্ৰত সংসদৰ ক্ষমতা প্ৰয়োগত তলৰ পৰিস্থিতি অধীনঃ

(১) ৰাষ্ট্ৰপতিৰ অনুমোদন অবিহনে এনে ধৰণৰ উদ্দেশ্যৰ কোনো বিধেয়ক সংসদত উত্থাপন কৰিব নোৱাৰে।

(২) যদিহে বিধেয়কখনে কোনো ৰাজ্যৰ মাটিকালি, চাৰিসীমা বা নামৰ ক্ষেত্ৰত আঘত কৰে, তেতিয়া সংসদে অনুমোদনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে ৰাষ্ট্ৰপতিয়ে বিধেয়কখন সংশ্লিষ্ট ৰাজ্যখনৰ বিধানমণ্ডললৈ তেওঁলোকৰ মতামত গ্ৰহণৰ বাবে প্ৰেৰণ কৰে।

১৩.৪ নতুন ৰাজ্য গঠন, চাৰিসীমাৰ সালসলনি আৰু ইয়াৰ পৃষ্ঠভূমি

আমি সকলোৱে জানো যে ভাৰত মহাসংঘ যুক্তৰাষ্ট্ৰ আনবিলাক যুক্তৰাষ্ট্ৰীয় পদ্ধতিতকৈ পৃথক। বিশেষকৈ অঞ্চল বা চাৰিসীমা সালসলনি, ইয়াৰ সাংবিধানিক অংগসমূহ, যথা, একক সংখ্যাগৰিষ্ঠতাৰ ৰাজ্যসমূহ, সাধাৰণ বিধানমণ্ডলীয় পদ্ধতি আৰু সেইসূত্ৰে সলনি হোৱা ভাৰতৰ ৰাজনৈতিক মানচিত্ৰই ভাৰতক আনবোৰ যুক্তৰাষ্ট্ৰীয় পদ্ধতিতকৈ পৃথক কৰি তুলিছে। যি কি

নহওঁক ৰাজ্য গঠনৰ বিধেয়ক এখন ৰাষ্ট্রপতিৰ অনুমোদন সাপেক্ষেহে সংসদত উত্থাপিত হ'ব পাৰে। যদিও ৰাষ্ট্রপতিয়ে যেতিয়া অনুমোদন প্রদান কৰে, তেওঁ সংশ্লিষ্ট ৰাজ্যখনৰ বিধানমণ্ডলৰ মতামত বিচাৰে। তথাপি চূড়ান্ত অনুমোদন দিয়াৰ ক্ষেত্রত ৰাষ্ট্রপতি ৰাজ্যখনৰ বিধানমণ্ডলৰ মতামত গ্রহণ কৰিবলৈ বাধ্য নহয়। প্রকৃততে সংশ্লিষ্ট ৰাজ্যখনে বিধানমণ্ডলৰ মতামত ৰাষ্ট্রপতিলৈ কিমান দিনৰ ভিতৰত পঠাব তাৰ কোনো সময়সীমা নাই। সেই অনুসৰি ৰাজ্যৰ বিধানমণ্ডলে তেওঁলোকৰ মতামত নিদিয়াকৈ ৰাখি থবও পাৰে। ফলস্বৰূপে, সংসদত পুৰ্ণঠন বিধেয়ক উত্থাপন কৰাত পলম হয়। সেয়েহে ১৯৬৬ চনৰ অষ্টাদশ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে এই জটিলতা আঁতৰোৱা হৈছে। বর্তমান মতামতৰ বাবে সংশ্লিষ্ট ৰাজ্যখনে ৰাষ্ট্রপতিৰ লগত কিমান দিনৰ ভিতৰত যোগাযোগ কৰিব লাগে সেই নির্দিষ্ট সময় বা ৰাষ্ট্রপতিয়ে উল্লেখ কৰি দিয়ে। যদিও সংবিধান প্রণেতাসকলে ৰাজ্যসমূহক পর্যাপ্ত স্বাধীনতা প্রদান কৰিছে তথাপি দেশৰ একতা আৰু অখণ্ডতা বজাই ৰখাৰ ক্ষেত্রত কেন্দ্র অধিক ক্ষমতাশালী। ৰাজ্য পুনৰ গঠনৰ ক্ষেত্রতে কেন্দ্রক ৰাজ্য পুনৰগঠনৰ প্রস্তাৱ পর্যবেক্ষণৰ বাবে অধিক ক্ষমতা প্রদান কৰিছে। এই ক্ষেত্রত সংশ্লিষ্ট ৰাজ্যখনৰ বিধানমণ্ডলৰ দৃষ্টিভংগী অত্যাৱশ্যকীয় বুলি ভবা নহয়।

সাধাৰণতে যুক্তৰাষ্ট্রীয় পদ্ধতিত স্বাধীন ৰাষ্ট্রসমূহ চুক্তিৰ জৰিয়তে একত্রিত হয়। অংশীদাৰী ৰাষ্ট্রসমূহৰ সন্মতি অবিহনে এই চুক্তিৰ সালসলনি কৰিব নোৱাৰে। সেই বাবে আমেৰিকা যুক্তৰাষ্ট্রক 'অবিনাশী ৰাষ্ট্রসমূহৰ অবিনাশী গোট' আখ্যা দিয়া হয়। সংশ্লিষ্ট ৰাষ্ট্রৰ বা প্রদেশৰ বিধানমণ্ডলৰ অনুমতি অবিহনে নতুন ৰাষ্ট্র বা প্রদেশ গঠন বা সংযুক্ত হোৱা সময়ৰ ৰাষ্ট্র বা প্রদেশসমূহৰ চাৰিসীমা ৰদ-বদল কৰি সংযুক্ত ৰাষ্ট্র মানচিত্র যুক্তৰাষ্ট্রীয় চৰকাৰে পুনৰংকণ কৰিব নোৱাৰে। কিন্তু ভাৰত যুক্তৰাষ্ট্রৰ ক্ষেত্রত এনে কোনো স্বাধীন ৰাষ্ট্র বা প্রদেশৰ একত্র হোৱাৰ চুক্তি নাই। ইয়াত ৰাজ্য বা প্রদেশসমূহে সংগঠিত ৰূপ বর্তাই ৰখাৰো কোনো বাধ্যবাধকতা সংবিধানে প্রদান কৰা নাই। সেয়েহে আমাৰ সংবিধানৰ প্রণেতাসকলে সংসদক ৰাজ্য পুনৰ গঠনৰ বাবে সৰল প্রণালীযুক্ত ক্ষমতা প্রদান কৰিছে। এইক্ষেত্রত যদি কোনো ৰাজ্যই ক্ষতিৰ আশংকা কৰে, তেতিয়া সেই ৰাজ্যই এই আশংকা ব্যক্ত কৰিব পাৰে। কিন্তু সংসদক বাধা প্রদান কৰিব নোৱাৰে।

অন্ধ্রপ্রদেশৰ গঠন ঃ

স্বাধীনতাৰ পূৰ্বে ভাৰত চৰকাৰ আইনৰ অধীনত প্রদেশসমূহৰ গোটবন্ধন (Grouping) কৰা হয়। ইয়াৰ অন্তৰালত জনসাধাৰণৰ মাজত থকা সামাজিক, ভাষিক বা সাংস্কৃতিক ভিন্নতাতকৈ ঐতিহাসিক আৰু ৰাজনৈতিক উদ্দেশ্যহে প্রচ্ছন্ন হৈ আছিল। সংবিধান প্রণয়নৰ সময়ত ইতিমধ্যে থকা প্রদেশসমূহত ৰাজ্য পুনৰ গঠনৰ দাবীটো প্রৱল হৈ উঠিছিল। কিন্তু তেনে সময়ত ৰাজ্য পুনৰ গঠনৰ দাবী বিবেচনা কৰাৰ বাবে প্রয়োজনীয় সময় নাছিল। স্বাধীনতাৰ পৰৱর্তী সময়ত, দেশৰ বিভিন্ন প্রান্তৰ পৰা বিশেষকৈ দক্ষিণ ভাৰতত ভাষাভিত্তিক ৰাজ্য গঠনৰ দাবী গা কৰি উঠিল। সেইসূত্রে ১৯৪৮ চনৰ জুন মাহত ভাৰতত চৰকাৰে ভাষাৰ আধাৰত ৰাজ্য পুনৰ গঠন বিষয়টো চোৱাচিতাৰ বাবে এছ. কে. ধৰৰ অধ্যক্ষতাত এখন আয়োগ গঠন কৰে (Linguistic Provinces Commission)। এই আয়োগে ৰাজ্য পুনৰগঠনৰ ক্ষেত্রত ভাষাক আধাৰ হিচাপে

লোৱা ব্যৱস্থাটো প্ৰত্যাখ্যান কৰে আৰু তাৰ পৰিৱৰ্তে ভৌগোলিক সংলগ্নতা, অৰ্থনৈতিক আত্মনিৰ্ভৰতা, প্ৰশাসনিক সম্ভৱপৰতা, উন্নয়নৰ সম্ভাৱিতা আদিকহে আধাৰ হিচাপে ল'বলৈ পৰামৰ্শ আগবঢ়ায়। ধৰ আয়োগৰ প্ৰতিবেদন দাখিলৰ লগে লগে ব্যাপক অসন্তুষ্টিয়ে দেখা দিয়ে। ফলস্বৰূপে, ১৯৪৯ চনত ধৰ আয়োগৰ পৰামৰ্শসমূহ বিবেচনা কৰিবলৈ আৰু ৰাজ্য পুনৰ গঠন সম্পৰ্কে চোৱাচিতা কৰিবলৈ জে. ভি. পি. কমিটি গঠন কৰা হয়। এই কমিটিখন তিনিজন সদস্যৰে গঠন কৰা হৈছিল। সদস্যকেইজন আছিল জৱাহৰলাল নেহৰু, বল্লভ ভাই পেটেল, আৰু পট্টাভি সীতাৰামায়া। এই কমিটিয়েও ভাষাৰ ভিত্তিক ৰাজ্য পুনৰ গঠন ব্যৱস্থাটোক প্ৰত্যাখ্যান কৰে। তাৰ পৰিৱৰ্তে জে. ভি. পি. কমিটিয়ে দেশৰ সুৰক্ষা, একতা আৰু অৰ্থনৈতিক সমৃদ্ধিক আধাৰ হিচাপে লৈ ৰাজ্য পুনৰ গঠনৰ পৰামৰ্শ আগবঢ়ায়। ওপৰত উল্লেখ কৰা ধৰণৰ জাগৰণ গঢ় লৈ উঠাৰ লগে লগে মাদ্ৰাছ প্ৰদেশৰ তেলেগু ভাষা কোৱা লোকসকলে অন্ধ্ৰপ্ৰদেশ নামেৰে পৃথক ৰাজ্য গঠনৰ দাবীত আন্দোলন আৰম্ভ কৰে। এই আন্দোলনৰ নেতৃত্ব দিয়ে পট্টি শ্ৰীৰামুলুৰে অন্ধ্ৰপ্ৰদেশ গঠনৰ দাবীত কৰা অনশন ধৰ্মঘটত ৫৬ দিনৰ দিনা পট্টি শ্ৰীৰামুলুৰ মৃত্যু হয়। তেওঁৰ মৃত্যুত জনসাধাৰণৰ মাজত তীব্ৰ হৈ চৈ লাগে। অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাৰ পাছত জনসাধাৰণৰ দাবীৰ ওচৰত সেও স্বীকাৰ কৰি প্ৰথমখন ভাষা আধাৰিত ৰাজ্য অন্ধ্ৰপ্ৰদেশ মাদ্ৰাছ প্ৰদেশৰ পৰা আঁতৰাই গঠন কৰে।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ১ ঃ ভাৰত চৰকাৰৰ কোনটো অংগক ভাৰতৰ কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ৰাজ্য পুনৰ গঠনৰ ক্ষমতা প্ৰদান কৰা হৈছে?

.....

প্ৰশ্ন ২ ঃ ৰাজ্য পুনৰ গঠনৰ বিধেয়ক এখন ৰাষ্ট্ৰপতিৰ অনুমোদন অবিহনে সংসদত উত্থাপন কৰিব নোৱাৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৩ ঃ অন্ধ্ৰপ্ৰদেশক পূৰ্বৰ ..... প্ৰদেশৰ পৰা আঁতৰাই নতুনকৈ গঠন কৰা হৈছে। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন ৪ ঃ ভাৰতৰ ৰাজ্যসমূহৰ পুনগঠনৰ লগত জড়িত সংবিধানৰ ৩ নং দফা (Article 3)ৰ বিষয়ে চমুকৈ লিখক।

.....

১৩.৫ ৰাজ্য পুনৰ গঠন আয়োগ

অন্ধ্ৰপ্ৰদেশ গঠনৰ লগে লগে ভাৰতৰ বিভিন্ন প্ৰান্ততো ভাষাৰ ভিত্তিত ৰাজ্য পুনৰ গঠনৰ দাবী প্ৰবল হৈ উঠে। সেইসূত্ৰে ভাৰত চৰকাৰে ১৯৫৩ চনত ফজল আলিৰ নেতৃত্বত ৰাজ্য পুনৰ

গঠন আয়োগ (States Reorganisation Commission) গঠন কৰি ৰাজ্যসমূহৰ চাৰিসীমা পুনৰ নির্ধাৰণৰ বিষয়টো পুনৰায় চোৱাচিতাৰ দায়িত্ব অর্পণ কৰে। প্রায় দুবছৰৰ পাছত ১৯৫৫ চনত আয়োগে ভাৰতত ১৬খন ৰাজ্য আৰু তিনিটা কেন্দ্রীয় শাসিত অঞ্চলৰ চাৰিসীমা পুনৰ গঠনৰ পৰামর্শ আগবঢ়ায়। আয়োগে ১৯৫৫ চনৰ ৩০ ছেপ্টেম্বৰত প্রতিবেদন দাখিল কৰিছিল। আয়োগে ৰাজ্য পুনৰ গঠনৰ সময়ত চাৰিটা নীতিৰ প্রতি মনোযোগ দিবলৈ পৰামর্শ আগবঢ়াইছিল। সেইকেইটা হৈছে ঃ ভাষিক আৰু সাংস্কৃতিক সাদৃশ্য, জাতিৰ/ৰাষ্ট্রৰ একতা আৰু সুৰক্ষা শক্তিশালী কৰা আৰু ৰক্ষণাবেক্ষণ কৰা, বিত্তীয়, অর্থনীতি আৰু প্রশাসনীয় দিশৰ প্রতি দৃষ্টি ৰখা, ৰাষ্ট্রৰ লগতে প্রত্যেকখন ৰাজ্যৰে জনসাধাৰণৰ কল্যাণ আঁচনি গ্রহণ আৰু ৰূপায়ণ কৰা। আয়োগৰ পৰামর্শসমূহ তলত দিয়া ধৰণৰ—

- তিনিতৰপীয়া (খণ্ড— ক/খ/গ) {Part- A/B/C} ৰাজ্য প্রণালী বিলোপ সাধন কৰা।
- ৰাজতন্ত্রীয় শাসন ব্যৱস্থা আৰু পূর্বৰ ৰজাৰ দ্বাৰা শাসিত ৰাজ্যসমূহৰ লগত থকা চুক্তিসমূহ বিলোপ কৰা।
- সংবিধানৰ ৩৭১ দফাৰ অধীনত ভাৰত চৰকাৰৰ সামান্য নিয়ন্ত্রণ লোপ কৰা।
- মাত্র তিনিখন ৰাজ্য কেন্দ্রীয় শাসিত অঞ্চল হিচাপে পৰিগণিত কৰা— আন্দামান আৰু নিকোবৰ, দিল্লী আৰু মণিপুৰ। আন খণ্ড গ/ঘ (Part- C/D)ৰ অঞ্চলসমূহ আন আন ৰাজ্যৰ লগত সংযুক্ত কৰা।
- ১৯৫৫ চনৰ ১৪ ডিচেম্বৰ তাৰিখে লোকসভাত এই প্রতিবেদনখন আলোচনাৰ বাবে গ্রহণ উত্থাপিত হয়।

১৯৫৫ চনৰ ৰাজ্য পুনৰ গঠন আয়োগৰ প্রতিবেদনৰ দ্বিতীয় ভাগক 'পুনৰ গঠনৰ উপাদান সংবাহক' (Factors Bearing on Reorganisation) আখ্যা দিয়া হয়। আয়োগে স্পষ্টকৈ কৈছিল যে কেৱল ভাষা বা সংস্কৃতিৰ আধাৰত ৰাজ্য পুনৰ গঠন কৰাটো সম্ভৰো নহয় বা কাম্যও হ'ব নালাগে। এই সমস্যাটো সমাধানৰ ক্ষেত্রত আমাৰ ৰাষ্ট্রীয় একতাৰ গুৰুত্ব উপলব্ধি কৰাটোও প্রয়োজনীয়।

১৩.৬ ৰাজ্য পুনৰ গঠন আইন, ১৯৫৬

১৯৫৬ চনৰ ৰাজ্য পুনৰ গঠন আইনে (States Reorganisation Act) ভাৰতৰ ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলসমূহ চাৰিসীমা নির্ধাৰণৰ ক্ষেত্রত গুৰুত্বপূর্ণ সংশোধন আৰু এই আইনে ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলসমূহ ভাষিক সীমাৰেখাৰ মাধ্যমত গঠন কৰে। যদিও ১৯৫৬ চনত ভাৰতৰ ৰাজ্যসমূহৰ চাৰিসীমা অতিৰিক্ত ভাবেহে ৰদ বদল কৰা হৈছিল, তথাপি ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতাৰ পাছত ১৯৫৬ চনৰ ৰাজ্য পুনৰ গঠন আইনে ৰাজ্য সমূহৰ চাৰিসীমা ৰদ-বদলৰ ক্ষেত্রত ব্যাপক প্রভাৱ পেলাইছিল। ৰাজ্য পুনৰ গঠন আয়োগৰ পৰামর্শ অনুসৰি ভাষাৰ ভিত্তিত ৰাজ্যসমূহৰ মাজত চাৰিসীমা সালসলনি কৰি ৰাজ্যসমূহৰ পুনঃ নামাকৰণ

কৰা হৈছিল।

১৯৫৬ চনৰ সংবিধান আইন (৭ম সংশাধনী)ৰ জৰিয়তে ৰাজ্য পুনৰ গঠন আইন বলৱৎ কৰা হয়। এই সংবিধান সংশোধনী আইনে ভাৰতৰ ৰাজ্যসমূহৰ পুর্নবিন্যাসৰ ক্ষেত্রত সাংবিধানিক আৰ্হি আগবঢ়ায় আৰু সংবিধানৰ ৩ আৰু ৪ নং দফাৰ অধীনত ৰাজ্য পুনৰ গঠন আইন ১৯৫৬ গৃহীত কৰাৰ বাবে আৱশ্যকীয় সমূহ পূৰণ কৰে।

উল্লিখিত গুৰুত্বপূর্ণ আইন আৰু আয়োগসমূহৰ বাহিৰেও নতুন ৰাজ্য গঠন আৰু ৰাজ্যসমূহৰ চাৰিসীমা সালসলনিৰ ক্ষেত্রত সংসদে তলত উল্লেখ কৰা আইন আৰু নীতি-নিদেৰ্শনাবোৰ আনুমোদন কৰিছিল ঃ

১। ১৯৫১ অসম আইন (চাৰিসীমা পৰিবর্তন) জৰিয়তে অসমৰ চাৰিসীমা পুনৰবিন্যাস কৰা হয়। এইসূত্রে ভাৰত তথা অসমৰ কিছু অংশ ভূটানৰ অধীন হয়।

২। ১৯৫৩ চনৰ অন্ধ্রৰাজ্য আইনৰ যোগেদি মাদ্রাছ প্রদেশৰ কিছু অংশ লৈ অন্ধ্রপ্রদেশ নামেৰে নতুন ৰাজ্য গঠন কৰা হয়।

৩। হিমাচল প্রদেশ আৰু বিলাসপুৰ (নতুন ৰাজ্য) আইন ১৯৫৪ৰ যোগেদি হিমাচল প্রদেশ আৰু বিলাসপুৰ লগ লগাই হিমাচল প্রদেশ গঠন কৰা হয়।

৪। বিহাৰ আৰু পশ্চিমবংগ (অঞ্চলৰ বদলি) আইন ১৯৫৬ৰ যোগেদি বিহাৰৰ কিছু অঞ্চল পশ্চিমবংগলৈ বদলি কৰা হয়।

৫। ১৯৫৬ চনৰ ৰাজ্য পুনৰ গঠন আইনৰ যোগেদি আঞ্চলিক/স্থানীয় আৰু ভাষিক দাবীৰ ভিত্তিত ভাৰতৰ বিভিন্ন ৰাজ্যৰ চাৰিসীমা পুনৰবিন্যাস কৰা হয়। মধ্য ভাৰতৰ পূর্বৰ ৰাজ্যসমূহ যেনে— পেপচু, সৌৰাষ্ট্র, ট্রেভাংকুৰ কোচিন, আজমেৰ, ভূপাল, কুর্গ, কুটচ্ আৰু বিন্ধ্র প্রদেশ সংযোগ কৰি কেৰালা নতুন ৰাজ্য গঠন কৰা হয়।

৬। ৰাজস্থান আৰু মধ্যপ্রদেশ (অঞ্চল বদলি) আইন ১৯৫৯ ৰ জৰিয়তে ৰাজস্থানৰ কিছু অঞ্চল মধ্য প্রদেশৰ লগত সংযোজিত কৰা হয়।

৭। অন্ধ্রপ্রদেশ আৰু মাদ্রাছ (চাৰিসীমা পুনৰবিন্যাস) আইন, ১৯৫৯ৰ জৰিয়তে অন্ধ্রপ্রদেশ আৰু মাদ্রাছৰ চাৰিসীমা পুনৰ বিন্যাস কৰা হয়।

৮। ব'ম্বে পুনৰগঠন আইন ১৯৬০ৰ জৰিয়তে ব'ম্বে প্রদেশক খণ্ডিত কৰি নতুন ৰাজ্য গুজৰাট গঠন কৰা হয়। আৰু অৱশিষ্টখিনিক মাহাৰাষ্ট্র নামেৰে নামকৰণ কৰা হয়। এনেদৰে ব'ম্বে প্রদেশ দুখন ৰাজ্য মহাৰাষ্ট্র আৰু গুজৰাটত পৰিণত হয়।

৯। আর্জিত প্রাদেশিক অঞ্চল (সংযোগ সাধন) আইন, ১৯৬০ৰ আইনৰ জৰিয়তে ১৯৫৮ আৰু ১৯৫৯ চনত ভাৰত চৰকাৰ আৰু পাকিস্তানৰ লগত হোৱা চুক্তি অনুসৰি লাভ কৰা কিছুমান অঞ্চল অসম, পাঞ্জাব আৰু পশ্চিমবংগৰ লগত চামিল কৰা হয়।

এই চুক্তি অনুসৰিয়েই ১৯৬০ চনত সংবিধানৰ নৱম সংখ্যক সংশোধনীৰ জৰিয়তে অসম আৰু পশ্চিমবংগৰ কিছু অঞ্চল পাকিস্তানক গতাই দিয়া হয়। কাৰণ উচ্চতম ন্যায়ালয়ে ৰায় দিয়ে যে সংবিধান সংশোধনীৰ অবিহনে ভাৰতৰ কোনো

অঞ্চল বিদেশী ৰাষ্ট্ৰক সমৰ্পণ কৰিব পৰা নাযাব।

১০। ১৯৬২ চনৰ নাগালেণ্ড আইন অনুসৰি ১৯৬৪ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা কাৰ্যক্ষম হোৱাকৈ নগালেণ্ড ৰাজ্য গঠন কৰা হয়। সংবিধানৰ ষষ্ঠ অনুসূচীত ভিতৰুৱা জনজাতি বসতিপ্ৰধান পূৰ্বৰ অসম প্ৰদেশৰ নাগা হিল্ছ-টুৱেনছাং (Naga Hills-Tuensang) অঞ্চলক লৈ নাগালেণ্ড গঠন কৰা হয়।

১১। পৰৱৰ্তী পৰিবৰ্তন সূচনা হয় ১৯৬৬ চনৰ পাঞ্জাৱ পুনৰ গঠনৰ আইনৰ জৰিয়তে পূৰ্বৰ পাঞ্জাৱ প্ৰদেশক, পাঞ্জাৱ আৰু হাৰিয়ানা ৰাজ্য আৰু চট্টিশগড় কেন্দ্ৰীয় শাসিত অঞ্চললৈ পৰ্যবসিত কৰা হয়।

১২। অন্ধ্ৰপ্ৰদেশ আৰু মহীশূৰ (অঞ্চল বদলিকৰণ) আইন ১৯৬৮।

১৩। বিহাৰ আৰু উত্তৰ প্ৰদেশ (চাৰিসীমা ৰদ-বদল) আইন ১৯৬৮।

১৪। অসম পুনৰ গঠন (মেঘালয়) আইন ১৯৬৯ৰ জৰিয়তে পূৰ্বৰ অসমৰ স্বায়িত্ব শাসিত উপৰাজ্য মেঘালয়ক পূৰ্ণাঙ্গ ৰাজ্য হিচাপে ঘোষণা কৰা হয়।

১৫। হিমাচল প্ৰদেশ ৰাজ্য আইন ১৯৭০ৰ জৰিয়তে হিমাচলক কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা পূৰ্ণাঙ্গ ৰাজ্যলৈ উন্নীত কৰা হয়।

১৬। ১৯৭১ চনৰ উত্তৰ পূৰ্বাঞ্চল (পুনৰ গঠন) আইনৰ যোগেদি মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয়ক ৰাজ্যৰ মৰ্যাদা আৰু মিজোৰাম আৰু অৰুণাচল প্ৰদেশক কেন্দ্ৰীয় শাসিত অঞ্চলত পৰিণত কৰা হয়।

১৭। ১৯৮৬ চনৰ মিজোৰাম ৰাজ্য আইনৰ জৰিয়তে ১৯৭১ চনত কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে স্বীকৃতি পোৱা মিজোৰামক পূৰ্ণাঙ্গ ৰাজ্যলৈ উন্নীত কৰা হয়।

১৮। ১৯৪৬ চনৰ অৰুণাচল প্ৰদেশ ৰাজ্য আইনৰ জৰিয়তে পূৰ্বৰ কেন্দ্ৰীয় শাসিত অৰুণাচলক ৰাজ্য ঘোষণা কৰা হয়।

১৯। হাৰিয়ানা আৰু উত্তৰ প্ৰদেশ (চাৰিসীমা ৰদ-বদল) আইন ১৯৭৯ৰ জৰিয়তে ৰাজ্য দুখনৰ সীমা পূৰ্ণবিন্যাস কৰা হয়।

২০। গোৱা, দমন আৰু ডিউ পুনৰগঠন আইন ১৯৮৭ অনুসৰি দমন আৰু ডিউৰ পৰা পৃথক কৰি গোৱাক ৰাজ্য হিচাপে ঘোষণা কৰা হয়।

২১। ১৯৭৩ চনত মহীশূৰ ৰাজ্য (নাম পৰিৱৰ্তন) আইন অনুসৰি মহীশূৰক কৰ্ণাটক নামেৰে সীমাকৰণ কৰা হয়। সেইদৰে ১৯৬৮ চনত মাদ্ৰাজ ৰাজ্য (নাম পৰিৱৰ্তন) আইন অনুসৰি মাদ্ৰাজক তামিলনাডু নামেৰে নামাকৰণ কৰা হয়। ৰাজ্য দুখনৰ আঞ্চলিক ভাষাৰ ভিত্তিত (বিশেষকৈ কৰ্ণাটকত কানাড়ী আৰু তামিলনাডুত তামিল) ৰাজ্য দুখনৰ এই নামাকৰণ কৰা হয়।

২২। ১৯৫৬ চনত মালায়ালম ভাষা প্ৰচলিত অঞ্চলসমূহক লৈ কেৰালা ৰাজ্য গঠন কৰা হয়।

২৩। মধ্যপ্রদেশ পুনৰ গঠন আইন, ২০০০ অনুসৰি মধ্যপ্রদেশৰ কিছু অঞ্চলক লৈ চট্টিশগড়ক নতুন ৰাজ্য হিচাপে ঘোষণা কৰা হয় ।

২৪। ২০০০ চনৰ উত্তৰ প্রদেশ পুনৰ গঠন আইন অনুসৰি উত্তৰ প্রদেশৰ কিছু অঞ্চলক লৈ উত্তৰাঞ্চল ৰাজ্য গঠন কৰা হয় ।

২৫। ২০০০ চনৰ বিহাৰ পুনৰ গঠন আইন অনুসৰি বিহাৰৰ কিছু অঞ্চলক লৈ ঝাৰখণ্ড ৰাজ্য গঠন কৰা হয়।

২৬। তেলেংগানা আন্দোলনৰ প্রভাৱৰ পৰিপ্রেক্ষিতত ২০১৪ চনৰ অন্ধ্রপ্রদেশ পুনৰ গঠন আইনৰ জৰিয়তে অন্ধ্রপ্রদেশৰ কিছু অংশক লৈ তেলেংগানা ৰাজ্য গঠন কৰা হয়।



অগ্রগতিৰ খতিয়ান

প্রশ্ন ৫ ঃ ঝাৰখণ্ড ৰাজ্য গঠন কৰা হৈছিল ..... চনত। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ৬ ঃ ৰাজ্য পুনৰ গঠন আয়োগৰ অধ্যক্ষ কোন আছিল ?

.....

প্রশ্ন ৭ ঃ ৰাজ্য পুনৰ গঠনৰ ক্ষেত্রত ৰাজ্য পুনৰ গঠন আয়োগে দিয়া দুটা পৰামর্শ/নীতি উল্লেক কৰক।

.....

.....

প্রশ্ন ৮ ঃ নতুন ৰাজ্য গঠন আৰু পূর্বৰ ৰাজ্যৰ চাৰিসীমা সলনিৰ বাবে সংসদত গৃহীত হোৱা যিকোনো চাৰিখন আইনৰ নাম লিখক।

.....

.....

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ সংবিধানৰ ২ আৰু ৩ নং দফাই সংসদৰ নতুন ৰাজ্য গঠন আৰু কেন্দ্রীয় শাসিত অঞ্চলৰ পুনৰ গঠন বা প্রতিষ্ঠাৰ ক্ষমতা প্রদান কৰিছে। ২ নং দফাৰ অধীনত প্রয়োজনীয় নিয়ম আৰু চর্তসমূহ উপযুক্ত বুলি অনুভৱ কৰিলে সংসদে আইনী বিধিমতে কেন্দ্রীয় শাসিত অঞ্চল বা নতুন ৰাজ্য প্রতিষ্ঠা কৰিব পাৰে। সংবিধানৰ ৩নং দফা মতে ৰাজ্য আৰু প্রাদেশিক অঞ্চল প্রতিষ্ঠাৰ বাবে সংসদে আইন প্রণয়ন কৰিব পাৰে।
- নতুন ৰাজ্য গঠন বা ৰাজ্যসমূহৰ চাৰিসীমা পুনৰ নির্ধাৰণ সম্পর্কীয় বিধেয়ক এখন সংসদত উত্থাপন কৰিবলৈ হ'লে ৰাষ্ট্রপতিৰ অনুমোদন প্রয়োজন।
- ৰাজ্যসমূহৰ চাৰিসীমা পুনর্বিন্যাস বিষয়টো পুনঃ চোৱাচিতা কৰিবৰ বাবে ১৯৫৩ চনত

ভাৰত চৰকাৰে ফজল আলিৰ অধ্যক্ষতাত ৰাজ্য পুনৰ গঠন আয়োগ গঠন কৰিছিল।

- ৰাজ্য পুনৰ গঠন আয়োগে ৰাজ্যসমূহৰ পুনৰগঠনৰ সময়ত চাৰিটা নীতি মনত ৰাখিবলৈ পৰামৰ্শ আগবঢ়াইছিল। সেইকেইটা হ'ল— ভাষিক আৰু সাংস্কৃতিক সাদৃশতা, ৰাষ্ট্ৰৰ একতা আৰু সুৰক্ষা শক্তিশালী কৰা আৰু ৰক্ষণাবেক্ষণ, বিত্তীয়, অৰ্থনৈতিক আৰু প্ৰশাসনীয় দিশৰ প্ৰতি দৃষ্টি ৰখা, ৰাষ্ট্ৰৰ লগতে প্ৰত্যেক ৰাজ্যৰে জনসাধাৰণৰ কল্যাণৰ অৰ্থে আঁচনি গ্ৰহণ আৰু ৰূপায়ণ কৰা।
- ১৯৫৬ চনৰ ৰাজ্য পুনৰ গঠন আইনে ভাৰতৰ ৰাজ্য আৰু প্ৰাদেশিক অঞ্চলসমূহৰ চাৰিসীমা পুনৰবিন্যাসৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সংশোধনী আনে। এই আইনে ভাষিক সীমাৰ আধাৰত ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল প্ৰতিষ্ঠা কৰে। এই আইনখনৰ উপৰি ভাৰতৰ সংসদে নতুন ৰাজ্য গঠন আৰু পূৰ্বৰ ৰাজ্যসমূহৰ চাৰিসীমা পুনৰ বিন্যাসৰ বাবে কেইবাখনো আইন আৰু নীতি-নিদেৰ্শনা গৃহীত কৰিছে।



১৩.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

১৩.৯ অগ্রগতিৰ খতিয়ানৰ উত্তৰসমূহ

১ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ সংসদ।

২ নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৩ নং প্রশ্নৰ উত্তৰ ঃ মাদ্রাজ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ সংবিধানৰ ৩ নং দফা মতে, ৰাজ্য বা প্রাদেশিক অঞ্চলৰ পুনৰ গঠনৰ বাবে ভাৰতৰ সংসদে আইন প্রণয়ন কৰিব পাৰে। লগতে এই দফাটোৱে ৰাজ্য পুনৰ গঠনৰ বাবে সংসদক এটা সৰল আৰু সহজ পদ্ধতিৰ সুবিধা প্রদান কৰিছে। সংবিধানৰ ৩ নং দফাই প্রদান কৰা ক্ষমতা অনুসৰি সংসদে আইন প্রণয়ন কৰি নতুন ৰাজ্য গঠন, কোনো ৰাজ্যৰ লগত প্রাদেশিক অঞ্চলৰ সংযোগ সাধন, চাৰিসীমাৰ পৰিবর্তন, অঞ্চল পৃথকীকৰণ, মাটিকালিৰ হ্রাস-বৃদ্ধি, ৰাজ্যৰ নাম বদলিকৰণ আদি কৰিব পাৰে। এনেধৰণৰ কার্যক্ষেত্রত ক্ষমতা প্রয়োগ কৰিবলৈ যাওঁতে সংসদে তলত দিয়া চর্ত্তসমূহ মানি চলিব লাগে ঃ

(ক) ৰাজ্য পুনৰ গঠন বিধেয়ক এখন ৰাষ্ট্রপতি অনুমোদন অবিহনে সংসদত উত্থাপিত হ'ব নোৱাৰে।

(খ) এই বিধেয়কখনে যদি কোনো ৰাজ্যৰ মাটিকালি নাম বা চাৰিসীমাৰ ওপৰত বিৰূপ প্রভাৰ পেলায় তেতিয়া ৰাষ্ট্রপতিয়ে সংসদত অনুমোদনৰ বাবে গ্রহণ কৰাৰ পূর্বে মতামত ল'বলৈ সংশ্লিষ্ট ৰাজ্যখনৰ বিধানসভালৈ পঠিয়ায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ২০০০

৬ নং প্রশ্নৰ উত্তৰ ঃ ফজল আলি

৭ নং প্রশ্নৰ উত্তৰ ঃ (ক) ভাষিক আৰু সাংস্কৃতিক সাদৃশ্য

(খ) ৰাষ্ট্রৰ অখণ্ডতা/একতা আৰু সুৰক্ষা ৰক্ষণাবেক্ষণ আৰু শক্তিশালী কৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ অসম ঃ (চাৰিসীমা ৰদ-বদল পৰিবর্তন) আইন ১৯৫১ অন্ধ্র ৰাজ্য আইন ১৯৫৩

হিমাচল প্রদেশ আৰু বিলাসপুৰ (নতুন ৰাজ্য) আইন, ১৯৫৪

বিহাৰ আৰু পশ্চিমবংগ (অঞ্চল বদলি) আইন, ১৯৫৬

১৩.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

১ নং প্রশ্ন ঃ কোন চনত ৰাজ্য পুনৰ গঠন আয়োগ প্রতিষ্ঠা কৰা হৈছিল?

২ নং প্রশ্ন ঃ তেলেংগানা ৰাজ্য কোন চনত গঠন কৰা হয়?

৩ নং প্রশ্ন ঃ সংবিধানৰ কোনটো দফা ভাৰতৰ ৰাজ্যসমূহৰ পুনৰ গঠনৰ লগত জড়িত?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ ১৯৫৬ চনৰ ৰাজ্য পুনৰ গঠন আইনৰ বিষয়ে চমুটোকা লিখক।

২ নং প্রশ্ন ঃ ভাৰতৰ ৰাজ্যসমূহৰ পুনৰ গঠনৰ কাৰণে ভাৰতৰ সংবিধানে আগবঢ়োৱা নীতিসমূহ চমুকৈ আলোচনা কৰক।

৩ নং প্রশ্ন ঃ ৰাজ্য পুনৰ গঠন আয়োগৰ বিষয়ে চমুটোকা লিখক

গ) **ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

১ নং প্রশ্ন ঃ ভাৰতৰ ৰাজ্যসমূহৰ চাৰিসীমা সালসলনি আৰু নতুন ৰাজ্য গঠন প্রক্রিয়াটো আৰু ইয়াৰ পৃষ্ঠভূমি সম্পর্কে এটা টোকা প্রস্তুত কৰক।

২ নং প্রশ্ন ঃ নতুন ৰাজ্য গঠন আৰু চাৰিসীমা সালসলনিৰ কাৰণে ভাৰতত গ্রহণ কৰা বিভিন্ন আইনী ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰক?

*** ***** ***